এক নিৰ্দ্দিষ্ট পৰিমাণে ঘৰুৱা উপাদান আমদানিকৃত উপাদানৰ সতে উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰা হয়। গতিকে মাথোন ঘৰুৱা উদ্যোক্তাসকলৰ ক্ষেত্ৰতে নিয়ন্ত্ৰণ আৰোপ কৰা নহয়। যিসকল লোকে ঘৰুৱা উপাদানৰ যোগান ধৰে তেওঁলোককো নিয়ন্ত্ৰণৰ অধীনলৈ অনা হয়।

(v) **অনুমতি সাপেক্ষ পৰিমাণ নিৰ্ধাৰণ** (License Quotas) ঃ এই পদ্ধতিত এখন দেশে কোনো এবিধ দ্ৰব্য আমদানি কৰিবৰ বাবে কিছুমান ব্যক্তিক অনুমতি পত্ৰ (License) প্ৰদান কৰে। অৱশ্যে প্ৰত্যেকজন ব্যক্তিয়ে কিমান পৰিমাণ দ্ৰব্য আমদানি কৰিব তাক স্থিৰ কৰি দিয়া থাকে। কোনো অনুমতি পত্ৰধাৰী আমদানিকাৰীয়ে নিৰ্দ্দিষ্ট কৰি দিয়া পৰিমাণতকৈ অধিক সামগ্ৰী আমদানি কৰিব নোৱাৰে। চৰকাৰে কেতিয়াবা আগত অহা ব্যক্তিক আগতে অনুমতি পত্ৰ প্ৰদান কৰে আৰু কেতিয়াবা আমদানিৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি অনুমতি পত্ৰ প্ৰদান কৰে।

3. **আমদানিৰ প্ৰতিবন্ধক** (Import Restrictions) ঃ দেশ এখনৰ কৰ্তৃপক্ষই আমদানিৰ পৰিমাণ সীমিত কৰি ঘৰুৱা উদ্যোক্তাসকলক অনুপ্ৰাণিত কৰিবলৈ বিভিন্ন প্ৰকাৰৰ আমদানিৰ প্ৰতিবন্ধক আৰোপ কৰিব পাৰে। সেইয়া হ'ল—

(a) কেতিয়াবা-কেতিয়াবা ঘৰুৱা উদ্যোক্তাসকলক সুৰক্ষা প্ৰদান কৰিবৰ বাবে কিছুমান বিশেষ সামগ্ৰী আমদানি দেশৰ চৰকাৰে আইন প্ৰণয়নৰ যোগেদি বন্ধ কৰি দিব পাৰে।

(b) দ্বিতীয়তে, স্বাস্থ্যসন্মত কাৰণত কেতিয়াবা কোনো দেশে শাক-পাচলি, ফুল, মাছ-মাংস আদি জাতীয় সামগ্ৰী আমদানি নিষিদ্ধ কৰিব পাৰে।

(c) তৃতীয়তে, এখন দেশৰ চৰকাৰে আমদানিকৃত সামগ্ৰীৰ প্ৰতিটো গোট তন্ন-তন্নকৈ ব্যৱহাৰৰ উপযোগী হয়নে নহয় তাক পৰীক্ষা কৰি চাবৰ বাবে আমদানি মাচুল কৰ্তৃপক্ষক নিৰ্দ্দেশনা দিব পাৰে। প্ৰয়োজনীয় সময়ত আদায় নোপোৱা আৰু নষ্ট হৈ যোৱা সামগ্ৰী গ্ৰহণ কৰিবলৈ অমান্তি হ'বৰ বাবে চৰকাৰে এনে কৰ্তৃপক্ষক নিৰ্দ্দেশ দিব পাৰে।

4. **বিনিময় নিয়ন্ত্ৰণ** (Exchange Control) ঃ বৈদেশিক বাণিজ্যত আমদানিকাৰী দেশে সকলোখিনি আমদানিৰ মূল্য সেই দেশৰ ৰপ্তানিৰ মূল্যৰে পৰিশোধ কৰিব নোৱাৰিবও পাৰে। এনে অৱস্থাত আমদানিকৃত সামগ্ৰীৰ বাবদ বৈদেশিক বিনিময় পৰিশোধ কৰিব লগা হয়। কোনো এখন দেশৰ বৈদেশিক বিনিময় সেই দেশৰ কেন্দ্ৰীয় বেংকে নিয়ন্ত্ৰণ কৰে। গতিকে দেশৰ চৰকাৰে কেন্দ্ৰীয় বেংকৰ যোগেদি নিজ দেশৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰৰ ওপৰত নিয়ন্ত্ৰণ আনি আমদানিৰ পৰিমাণ সীমিত কৰিব পাৰে। এনে অৱস্থাত দেশৰ চৰকাৰে মাথোন প্ৰয়োজনীয় আমদানিৰ বিপৰীতেহে বৈদেশিক মুদ্ৰাৰ যোগান ধৰে। গতিকে দেশলৈ অপ্ৰয়োজনীয় দ্ৰব্য-সামগ্ৰীৰ আমদানি বন্ধ হয়।

5. **বৈষম্যতা** (Discrimination) ঃ এই পদ্ধতিৰ যোগেদি বাণিজ্য নিয়ন্ত্ৰণ কৰিবলৈ যাওঁতে এখন দেশৰ কৰ্তৃপক্ষই-

(a) আমদানিকৃত সামগ্ৰীৰ বিভিন্ন পৰিমাণৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰিব পাৰে।

(b) কৰ্তৃপক্ষই কেতিয়াবা শুল্ক আৰোপ কৰে আৰু কেতিয়াবা পৰিমাণ নিৰ্ধাৰণ কৰে।

(c) কেতিয়াবা আকৌ বিভিন্ন প্ৰকাৰৰ বিনিময় নিয়ন্ত্ৰণ সাধন কৰিব পাৰে।

(d) কেতিয়াবা আকৌ বেলেগ-বেলেগ দেশৰ বাবে বেলেগ-বেলেগ বিনিময় হাৰ ধাৰ্য্য কৰিব পাৰে।

6. **ৰাজসাহায্য** (Subsidies) ঃ কোনো এখন দেশৰ চৰকাৰে ঘৰুৱা উদ্যোগসমূহক উৎপাদন কাৰ্য্যত আন্তৰিকতাৰে অংশ গ্ৰহণ কৰি ঘৰুৱা উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিবৰ বাবে উৎসাহ প্ৰদান কৰাৰ লক্ষ্যৰে ৰাজসাহাৰ্য্য প্ৰদান কৰিব পাৰে। অনুন্নত দেশৰ উদ্যোগসমূহৰ উৎপাদন ক্ষমতা কম, উৎপাদন ব্যয় বেছি, শ্ৰমিকৰ, উদ্যোক্তাৰ প্ৰশিক্ষণৰ অভাৱ আদিবিলাক গুণ পৰিলক্ষিত হয়। এই উদ্যোগসমূহে ইতিমধ্যে আন্তৰ্জাতিক পৰ্য্যায়ত প্ৰতিষ্ঠা লাভ কৰা উদ্যোগসমূহৰ লগত প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ উৎপাদনীয় সামগ্ৰীৰ দাম আন্তৰ্জাতিক উদ্যোগসমূহে প্ৰচলন কৰা নিম্ন দামতে বিক্ৰী কৰিবলৈ যাতে সমৰ্থ হয় তাৰবাবে ক্ষতিপূৰণৰ লক্ষ্যত ৰাজসাহাৰ্য্য প্ৰদান কৰা হয়। এই পদ্ধতিত আমদানিৰ ওপৰত কোনো নিষেধাজ্ঞা আৰোপ কৰা নহয়। কিন্তু আমদানি নিৰাশাবাদী কৰি তোলাত বিদেশৰ পৰা আমদানি কমে আৰু ঘৰুৱা সামগ্ৰীয়ে বজাৰ দখল কৰে।

7. **চৰকাৰী পৃষ্ঠপোষকতাত বাণিজ্য** (Sate Trading) ঃ কেতিয়াবা-কেতিয়াবা দেশৰ চৰকাৰে নিজাববীয়াকৈ বৈদেশিক বাণিজ্য বা আমদানি-ৰপ্তানিৰ সমস্ত দ্বায়িত্ব বহন কৰে। এনে অৱস্থাত দেশৰ চৰকাৰে মাথোন দেশৰ জনসাধাৰণৰ সামাজিক প্ৰয়োজনীয় দ্ৰব্যসমূহহে আমদানি কৰে। দ্বিতীয়তে আন্তৰ্জাতিক বাণিজ্যত যাতে বাণিজ্যিক হাৰ দেশখনৰ অনুকূলে যায় তাৰবাবে যত্নপৰ হোৱাৰ লগতে আন্তৰ্জাতিক বাণিজ্যৰ পৰা দেশৰ জনসাধাৰণৰ কল্যাণ বৃদ্ধি পাব পৰাকৈ যাতে উপকৃত হয় তাৰবাবেও যত্নপৰ হয়। তৃতীয়তে দেশৰ ৰপ্তানিৰ পৰিমাণ যাতে বৃদ্ধি কৰিব পৰা যায় তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰে।

8. **অৱমূল্যায়ন** (Devaluation) ঃ কেতিয়াবা-কেতিয়াবা কিছুমান দেশে দীৰ্ঘদিন ধৰি ভুগি অহা পৰিশোধৰ ভাৰসাম্যহীনতা আঁতৰ কৰাৰ স্বাৰ্থত নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ মূল্য কমকৈ ধাৰ্য্য কৰিব পাৰে। ইয়াকে অৱমূল্যায়ন বোলে। এনে কৰিলে বিদেশী সামগ্ৰীৰ আমদানি কমি যায় কিন্তু নিজ দেশৰ ৰপ্তানিৰ পৰিমাণ বাঢ়ি যায়। এনে পদ্ধতিৰে অতি সহজে বৈদেশিক মুদ্ৰা ভাণ্ডাৰ বৃদ্ধি কৰিব পৰা যায়।

9. **বিদেশী সামগ্ৰী বৰ্জন** (Boycott of Foreign Goods) ঃ কেতিয়াবা আকৌ দেশৰ জনসাধাৰণ, সংগঠন বা চৰকাৰে নিজেই জাতীয় চেতনাবোধ আৰু দেশপ্ৰেম জাগ্ৰত কৰিবলৈ বিদেশী সামগ্ৰী বৰ্জন আৰু দেশীয় সামগ্ৰী গ্ৰহণ কৰিব পাৰে। যোৱা দশকৰ আৰম্ভনীতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জন সমাগম